সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৮

অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি

অংশ – ৪

অংগৰাগ ভূঞা



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। 'এটা সংমিশ্রিত - সংস্কৃতিসম্পন্ন জাতি, ইয়াক নুই কৰাৰ কোনো যুক্তি-তর্কৰ অবকাশ নাই।' — ইয়াত লিখকে কাক আৰু কি সংস্কৃতিসম্পন্ন জাতি বুলি কৈছে? 'নুই কৰাৰ কোনো যুক্তি তর্কৰ অৱকাশ নাই' বোলা কথাষাৰৰ সত্যাসত্য বিচাৰ কৰা।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- অসমীয়া জাতি আৰু সংস্কৃতিৰ সমন্বয় বিষয়ে ক'বলৈ গৈ লিখকে উক্ত বাক্যশাৰী কৈছে। অসমীয়া জাতিটো কেৱল এটা জনগোষ্ঠী আৰু তেওঁলোকৰ ভাষা-সংস্কৃতিক লৈ গঢ়ি উঠা নাই বুলি লিখকে কৈছে। অসমত প্ৰাচীন কালৰে পৰা ভিন ভিন জাতি-জনগোষ্ঠীৰ লোক আহি অসমত বসবাস কৰিছিল। সেই সময়ত অসমত বসবাস কৰা থলুৱা জনজাতীয় লোকসকলে সকলোকে আঁকোৱালি লৈছিল। বাহিৰৰ পৰা অহা সকলোৱে আন্তৰিকতাৰে এই অসম দেশৰ ভাষা, সংস্কৃতি গ্ৰহণ কৰি অসমক নিজৰ দেশ বুলি গ্ৰহণ কৰিছিল। ভাষিক সংমিশ্ৰণে অসমীয়া জাতি আৰু সংস্কৃতিক আৰু অধিক কট্‌কটিয়া কৰি তুলিলে।

অসমত বসবাস কৰা জনজাতিৰ ভাষা ভালদৰে বুজি পায় আৰু ক'ব পাৰে। অসমলৈ পৰৱৰ্তী কালত অহা লোক সকলেও নিজৰ নিজৰ ভাষা-সংস্কৃতি ত্যাগ কৰি অসমীয়া ভাষা আৰু সংস্কৃতিক আকোৱালি লয়। যুগ যুগ ধৰি এনেদৰে আদান-প্ৰদান, বিনিময় আৰু সংস্কৃতি গ্ৰহণৰ মাধ্যমেদি অসমীয়া সংস্কৃতিটো বৰ্তমানলৈ পৰিগ্ৰহ হৈ আছে। বিভিন্ন ধৰণৰ জাতি-জনজাতিৰ সমন্বয়ৰ মাজেৰে অসমীয়া জাতিটো গঢ়ি উঠিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। 'লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল।'
— কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল? এই ৰূপান্তৰ কিদৰে ঘটিছিল বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমলৈ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে ভাৰতৰ বাহিৰৰ বিভিন্ন সময়তে ভিন ভিন জাতি উপজাতি আহি বৃহৎ অসমীয়া জাতি আৰু সংস্কৃতি গঢ়ি তুলিছিল। অসমৰ সংস্কৃতি বাৰেবৰণীয়া আৰু বৈচিত্র্যপূর্ণ আছিল। ত্রয়োদশ শতিকাত মংগোলীয় গোষ্ঠীৰ লোকসকল অসমলৈ আহি থাকিবলৈ লয়। আকৌ প্রাচীন কালত অসমখন আছিল অনার্য জাতিৰ বাসস্থান। এই মংগোলীয় গোষ্ঠীৰ লোকসকল বিশেষকৈ আহোমসকল, মুছলমান সকল আৰু বিভিন্ন ৰাজ্যৰ পৰা অহা লোকৰ ভিতৰত কোনোবাই দেশ জয় কৰিবলৈ অসমলৈ আহিছিল। এওঁলোকৰ ভিতৰৰ কোনোবা আকৌ যুদ্ধবন্দী হিচাপে অসমত থাকি গ'ল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

এনেদৰে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্ভৱ হৈ উঠিবলৈ ধৰিলে। এটা সম্প্ৰদায়ৰ ভাল লগা কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আন এটা সম্প্ৰদায়েও গ্ৰহণ কৰি ল'লে। সাজপাৰ, আ-অলঙ্কাৰ, দৈনন্দিন ব্যৱহাৰ্য আচবাব, বাচন-বৰ্তন সকলোতেই পৰিৱৰ্তন ঘটিবলৈ ধৰিলে। অসমীয়া সংস্কৃতিৰ মাজত মুকলি মনেৰে আধুনিকতা প্ৰৱেশ কৰিবলৈ ল'লে। কোনেও কাকো জোৰকৈ একো কথাই জাপি দিয়া নাছিল। এয়াই আছিল স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়া। আদান-প্ৰদান, বৰ্ণাঢ্য আৰু বাৰেবৰণীয়াৰ যোগেদি হোৱা সংস্কৃতি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। তাৎপর্য ব্যাখ্যা কৰা —

(ক) দেখা যায় সকলোকে বান্ধি থোৱা এনাজৰীডাল আছিল অসমীয়া ভাষা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভিন ভিন জনগোষ্ঠীৰ বাসস্থান অসমত ঐক্যৰ সেতু গঢ়ি তুলিছে এই প্ৰদেশৰ ভাষাটোৱে। এই কথাষাৰ বুজাবৰ বাবে কথাফাঁকি ফুটি উঠিছিল। ভাষিক সংমিশ্ৰণে অসমীয়া জাতিটোক আৰু সংস্কৃতিটোৰ বান্ধোনক অধিক কট্‌কটীয়া কৰিছিল। ইয়াত থলুৱা ভাৰে অনার্য লোকসকলৰ লগতে বাহিৰৰ পৰা অহা ভিন ভিন জাতিৰ লোক সকলেও বিভিন্ন সময়ত আহি অসমত বসবাস কৰিছিল। অসমৰ বাহিৰৰ পৰা অহা লোকসকলে অসমীয়া ভাষাটোক নিজৰ ভাষা বুলি গ্ৰহণ কৰিছিল। এওঁলোকে নিজৰ উপভাষাৰে নিজৰ মাজত কথা পাতিলেও প্ৰত্যেকেই অসমীয়া ভাষাৰে কথা কৈ অসমীয়া ভাষাক নিজৰ ভাষা বুলি গ্ৰহণ কৰি উদাৰতাৰ পৰিচয় দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অসমৰ থলুৱা জনজাতিৰ লোকসকলে নিজ নিজ জনগোষ্ঠীয় ভাষা জীয়াই ৰখাৰ লগতে সমাজখনৰ সৈতে যোগাযোগৰ কাৰণে অসমীয়া ভাষাকে ব্যৱহাৰ কৰিছিল। অসমীয়া ভাষাটোক তেওঁলোকে উমৈহতীয়া ভাষাৰূপে গ্ৰহণ কৰিছিল। এই সেঁতু ইমান মজবুত আছিল যে, অসমত আহোমে আহোমৰ ভাষাৰে, বাহ্মণ-ক্ষত্ৰিয়ই সংস্কৃতৰে আৰু মুছলমানে আৰবী-ফাৰ্চীৰে কথা নাপাতে। প্ৰত্যেকেই অসমীয়া ভাষাৰ সেঁতুৰে পাৰ কৰিছিল দৈনন্দিন জীৱন। অসমীয়া লোকসকল তেওঁলোকৰ আপোন হৈ পৰিছিল, আৰু অসমীয়া মাতৃভাষা। এনেদৰেই অসমীয়া ভাষাই ভাষিক সংমিশ্ৰণৰ মাজেৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকল ঐক্য আৰু সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰাখিছিল।

(খ) এই গোটেইবোৰ হ'ল স্বতঃপ্রণোদিতভাৱে হোৱা প্রক্রিয়া।




সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভিন ভিন জাতি জনজাতিৰ মাজত কলা-সংস্কৃতি, ৰীতি-নীতি আদিৰ সংমিশ্রণত বৃহৎ অসমীয়া সংস্কৃতি গঢ়ি উঠা দেখিবলৈ পোৱা গৈছে। ইয়াকে বুজাবৰ বাবে কথাষাৰ কোৱা হৈছে।

বিভিন্ন সময়ত আমি মাত-কথা, আচাৰ-ব্যৱহাৰ, সাজ-সজ্জা, ৰীতি-নীতি আদিৰ ক্ষেত্রত আমি কেৱল আমাৰ নিজৰটোকে ধৰি ৰখা নাচিলো। আমি আনৰ ৰীতি-নীতি, সাজ-সজ্জা আদিবোৰো গ্রহণ কৰিছিলো। আমাৰ নিচিনাকৈ অইনেও আমাৰটো গ্রহণ কৰি লৈছিল। এনেদৰে জাতি-কুলৰ পৰস্পৰাগত প্রাচীৰ ভাঙি বিয়া-সবাহ, মৰা-সকাম আদিত ভিন ভিন জাতিৰ লোক একেলগে ভাগ ল'ব পৰা হৈ উঠিছিল।

সকলোৱে একগোট হৈ পৰস্পৰে পৰস্পৰৰ উৎসৱ-অনুষ্ঠান আদি বিভিন্ন কার্যক্ষেত্রত যোগ দিয়ে। এনেদৰে ভাতৃত্বৰ বান্ধোন কট্‌কটিয়া হৈ পৰিল। সময়ৰ লগত খোজ মিলাই পৰিৱর্তনে সংস্কৃতিলৈ নতুননত্ব আনিলে। নিজ কর্মৰ কর্ষণ কৰি আমি এক উমৈহতীয়া সংস্কৃতি গঢ়ি তুলিছো। এই সংস্কৃতি মিলনৰ সংস্কৃতি। এই সংস্কৃতি সংহতি আৰু সম্প্রীতি ৰক্ষাৰ বাট।



(গ) এয়া আছিল দিয়া-লোৱা আৰু এৰা-ধৰাৰ ব্যৱস্থা।



উত্তৰঃ- অসমীয়া সংস্কৃতিৰ মূলতে হৈছে সমন্বয়। সংস্কৃতি পৰিৱৰ্তনশীল। অসমতো বিভিন্ন জাতি-ধৰ্মৰ মানুহে বসবাস কৰে। ফলত বিভিন্ন জাতি-ধৰ্মৰ মানুহ বসবাস কৰাৰ লগে লগে সংস্কৃতিয়েও ৰূপ সলাইছিল। ইয়াকে বুজাবলৈ গৈ লিখকে কথাষাৰ কৈছে।

অসমত পূৰ্বতে অনাৰ্য জাতিৰ লোকসকলে বসবাস কৰিছিল। সেই সময়ছোৱাত তেওঁলোকৰ সংস্কৃতি আছিল অসমীয়া। অসমলৈ কালক্ৰমত বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ লোক আহিছিল যদিও তেওঁলোকে নিজৰ মাতৃভূমিৰ ভাষা-সংস্কৃতিৰ পৰিহাৰ কৰি অসমীয়া সংস্কৃতি আৰু ভাষা নিজৰ বুলি গ্ৰহণ কৰি লৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তেওঁলোকে নিজৰ কিছুমান সংস্কৃতি এৰিছিল আৰু পূৰ্বৰ কিছুমান সংস্কৃতিৰ সৈতে যোগ দিছিল। সেয়া হ'ল সকলোৱে মিলি অসমীয়া ভাষাটো গ্ৰহণ কৰি ল'লে। সকলোৱে নিজৰ লগত লৈ অহাবোৰক ধৰি নাথাকি ভাষা-সংস্কৃতিক আঁকোৱালি লোৱাৰ লগতে পৰস্পৰৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সাজ-সজ্জা, ৰন্ধন প্ৰকৰণ আদিও গ্ৰহণ কৰি ল'লে। কোনেও কাকো জোৰকৈ একো জাপি দিয়া নাছিল। ফলত গঢ়ি উঠিল এটা সংমিশ্ৰিত সংস্কৃতি। এই সংমিশ্ৰিত সংস্কৃতিয়ে হৈছে অসমীয়া সংস্কৃতি। এনেদৰে ভিন্ন সম্প্ৰদায়ৰ মাজৰ সমন্বয় সাধন হৈ বাৰেবৰণীয়া অসমীয়া সংস্কৃতি গঢ়ি উঠিল। এয়া আদৰ্শৰ সংস্কৃতি। এনে সংস্কৃতি গঢ়িবলৈ প্ৰত্যেক সম্প্ৰদায়ে এৰা-ধৰাৰ নীতি পালন কৰিছিল।


সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। সন্ধি ভাঙা —

সংস্কৃতি, জলাঞ্জলি, স্বাধীন।




সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সম + কৃতি

সংস্কৃতি = সম্ + কৃতি



২। 'প্ৰ' উপসৰ্গ লগ লগাই তিনিটা শব্দ গঠন কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

প্রয়োগ, প্রগতি, প্রণাম।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। বাক্য ৰচনা কৰাঃ

ভাষা-সংস্কৃতি,

পূজা-পার্বণ,

বেপাৰ-বাণিজ্য,

সহজ-সৰল,

দিয়া-লোৱা,

এৰা-ধৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-সংস্কৃতিঃ- অসমৰ ভাষা সংস্কৃতি আমাৰ অতিকৈ আপোন ।

পূজা-পার্বণঃ- গীতিমাৰ ঘৰত আজি পূজা-পার্বণ থকা বাবে তাই স্কুললৈ অহা নাই ।

বেপাৰ-বাণিজ্যঃ- ক'ভিড অতিমাৰীৰ সময়ত বেপাৰ – বাণিজ্যত কু-প্রভাৱ পৰিছিল ।

সহজ-সৰলঃ- জনজাতীয় লোকসকল স্বভাৱতে সহজ-সৰল ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দিয়া-লোৱাঃ- অসমীয়া সংস্কৃতি দিয়া-লোৱাৰ পৰম্পৰাৰে সমৃদ্ধ ।

এৰা-ধৰাঃ- সম্পর্কবোৰ এৰা-ধৰাৰ মাজেৰেহে সবল হয় ।

